অধ্যায় ৫ ঃ স্বপ্নবাসবদত্তম্ (পঞ্চম অংক)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পঞ্চম অংকৰ নির্বাচিত অংশৰ মূল সংস্কৃত পাঠ

৫.৩.১ প্ৰৱেশকৰ পিছৰ পৰা সমুদ্ৰগৃহৰ পৰা বিদূষক ওলাই যোৱালৈ দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

৫.৩.২ বাসৱদত্তা আৰু চেটীৰ প্ৰশেৰ পৰা কাঞ্চুকীয়ৰ প্ৰবেশৰ আগলৈ দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

৫.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

৫.৪.১ প্ৰৱেশকৰ পিছৰ পৰা সমুদ্ৰগৃহৰ পৰা বিদূষক ওলাই যোৱালৈ

৫.৪.২ বাসবদত্তা আৰু চেটীৰ প্ৰৱেশৰ পৰা কাঞ্চুকীয়ৰ প্ৰৱেশৰ আগলৈ

৫.৫ স্বপ্নদৃশ্যৰ বৰ্ণনা

৫.৬ নাটকখনত পঞ্চম অংকৰ গুৰুত্ব

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'স্বপ্নবাসবদত্তম্' নাটকখনৰ পঞ্চম অংকটিৰ গুৰুত্বপূৰ্ণ দৃশ্যসমূহৰ মূল সংস্কৃত পাঠৰ জ্ঞান লাভ কৰিব
- উক্ত মূল সংস্কৃত পাঠৰ শব্দত অসমীয়া অর্থসমূহো জানিব পাৰিব
- নাটকখনৰ নামকৰণত বিশেষ ভূমিকা গ্ৰহণ কৰা স্বপ্ন দৃশ্যটিৰ সম্যক ধাৰণা লাভ কৰিব।

৫.২ পৰিচয়

পূৰ্বৰ অধ্যায়টিত আপুনি ভাসৰ দ্বাৰা ৰচিত নাটক 'স্বপ্নবাসবদত্তম্'ৰ চতুৰ্থ অংকটিৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিছে। অংকটিৰ কেইটিমান দৃশ্যাংশৰ মূল সংস্কৃত পাঠৰ লগতে সেইসমূহত অসমীয়া অর্থসমূহৰো জ্ঞান লাভ কৰিছে। ইয়াৰ উপৰিও শ্লোকৰ ব্যাখ্যা কৰাৰ আৰ্হিও লাভ কৰিছে।

এই অধ্যায়ত আপুনি পঞ্চম অংকত থকা দৃশ্যাংশ কেইটিমানৰ মূল সংস্কৃত পাঠ আৰু লগতে তাৰ অর্থসমূহ জ্ঞাত হ'ব পাৰিব। সমগ্র নাটকখনতেই বিশেষ গুৰুত্ব বহন কৰা স্বপ্ন দৃশ্যটিৰ এক সম্যক ধাৰণা এই অংকতেই লাভ কৰিব।

৫.৩ পঞ্চম অংকৰ নির্বাচিত অংশৰ মূল সংস্কৃত পাঠ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ পঞ্চম অংকৰ প্রৱেশকৰ পিছৰ সমুদ্রগৃহৰ পৰা বিদূষক ওলাই যোৱালৈ দৃশ্যাংশৰ মূল সংস্কৃত পাঠ পঢ়িব পাব। ইয়াৰ উপৰিও বাসৱদত্তা আৰু চেটীৰ প্রশেৰ পৰা কাঞ্চুকীয়ৰ প্রবেশৰ আগলৈ দৃশ্যাংশৰ মূল সংস্কৃত পাঠ পঢ়িব পাব।

৫.৩.১ প্রৱেশকৰ পিছৰ পৰা সমুদ্রগৃহৰ পৰা বিদূষক ওলাই যোৱালৈ দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

(ততঃ প্রৱিশতি ৰাজা।)

ৰাজা— শ্লাঘ্যামবন্তিনৃপতেঃ সদৃশীং তনূজাং
কালক্রমেণ পুনৰাগতদাভাৰঃ।
লাৱাণকে হুতবহনে হৃতাঙ্গযষ্টিং
তাঃ পদ্মিনীং হিমহতামিব চিন্তয়ামি।। ১।।

(প্রৱিশ্য।)

বিদূষকঃ — ত্বৰতাং ত্বৰতাং তাৱদ্ ভৱান্।

ৰাজা— কিমর্থম্?

বিদূষকঃ— তত্বভৱতী পদ্মাৱতী শীর্ষবেদনযা দুঃখিতা।

ৰাজা— কৈৱমাহ?

বিদূষক— পদ্মিনিকয়া কথিতম্।

ৰাজা— ভোঃ কষ্টম্ ।
ৰূপশ্রিয়া সমুদিতাং গুণতশ্চ যুক্তাং
লৰ্ধা প্রিয়াং যম তু মন্দ ইবাদ্য শোকঃ।
পূর্বাভিঘাতসৰুজোহপ্যনুভূতদুখং
পদ্মাৱতীমপি তথৈৱ সমর্থয়ানি।।

অথ কস্মিন্ প্রদেশে বর্ততে পদ্মাৱতী?

বিদূষকঃ — সমুদ্রগৃহকে কিল শয্যাস্তীর্ণা।

ৰাজা— তেন হি তস্য খার্গমাদেশয়।

বিদূষকঃ — এত্বেতু ভৱান্।

(উভৌ পৰিক্রামতঃ)

বিদূষকঃ— ইদং সমুদ্রগৃহকম্। প্রৱিশতু ভৱান্।

ৰাজা— পূর্বং প্রৱিশ।

বিদূষকঃ— ভোঃ ! তথা। (প্রৱিশ্য।) অৱিধা তিষ্ঠতু তিষ্ঠতু তাৱদ্ভৱান্।

ৰাজা— কিমর্থম্?

বিদূষকঃ— এষ খলু দীপপ্রভাসূচিতৰূপো বসুধাতলে পৰিৱর্তমানো— হয়ং কাকোদৰঃ।

ৰাজা— (প্রৱিশ্যাৱলোক্য সস্মিতম্।) অহো ! সর্পব্যক্তির্বৈধেয়স্য।

ঋজ্বায়তাং হি মুখতোৰণলোলমালাং
ভ্রষ্টাং ক্ষিতৌ ত্বমবগচ্ছগি মূর্খ ! সর্পম্।
মন্দানিলেন নিশি যা পৰিৱর্তমানা
কিঞ্চিৎ কৰোতি ভুজগস্য বিচেষ্টিতানি।।

বিদূষকঃ— (নিৰূপ্য) সুষ্ঠু ভৱান্ ভণতি। ন খল্বয়ং কাকোদৰঃ। (প্রবিশ্যাৱলোক্য।)

তত্রভৱতী পদ্মাৱতীহাগত্য নির্গতা ভৱেৎ।

ৰাজা— বয়স্য ! অনাগতয়া ভবিতব্যম্।

বিদূষকঃ — কথং ভৱান্ জানাতি?

ৰাজা— কিমত্র জ্ঞেয়ম্? পশ্য

শয্যা নাবনতা তথাস্তৃতসমা ন ব্যাকুলপ্রচ্ছদা
ন ক্লিষ্টং হি শিৰোপধান অমলং শীর্ষাভিঘাতৌষধৈঃ।
ৰোগে দৃষ্টিবিলোভনং জনয়িতুংশোভা ন কাচিৎকৃতা
প্রাণী প্রাপ্য ৰুজা পুনর্ন শয়নং শীঘ্রং স্বয়ং মুঞ্চতি।।

বিদূষকঃ— তেন হ্যস্যাং শয্যায়াং মুহূর্তকমুপবিশ্য তত্রভৱতীং প্রতিপালয়তু ভৱান্।

ৰাজা— বাঢ়ম্। (উপবিশ্য) বয়স্য ! নিদ্রা মাং বাধতে। কথ্যতাং কাচিৎ কথা।

বিদূষকঃ — অহং কথয়িষ্যামি। হোঁ ইতি কৰোত্বত্রভৱান্।

ৰাজা— বাঢ়ম্।

বিদূষকঃ — অস্তি নগর্যুজ্জয়িনী নাম। তত্রাধিকৰমণীয়ান্যুদকস্নানানি বর্তন্তে কিল।

ৰাজা— কথমুজ্জয়িনী নাম?

বিদূষকঃ — যদ্যনভিপ্রেতৈষা কথা অন্যাং কথয়িষ্যামি?

ৰাজা— বয়স্য ! ন খলু নাভিপ্রেতৈষা কথা। কিংতু

স্মৰাম্যবন্ত্যাধিপতেঃ সুতায়াঃ
প্রস্থানকালে স্বজনং স্মৰন্ত্যাঃ।
বাষ্পং প্রবৃত্তং নয়নান্তলগ্নং
স্নেহান্মমৈৱোৰলি পাতয়ন্ত্যাঃ।।

অপি চ।

বহুসোহপ্যুপদেশেষু যয়া মামীক্ষমাণয়া।

হস্তেন স্রস্তকোণেন কৃতমাকাশবাদিতম্।। ৬।।

বিদূষকঃ — ভৱতু অন্যাং কথয়িষ্যামি। অস্তি নগৰং ব্রহ্মদত্তং নাম। তত্র কিল ৰাজা কাম্পিল্যো নাম।

ৰাজা— কিমিতি কিমিতি?

বিদূষকঃ— (পুনস্তদেৰ পঠতি)

ৰাজা— মূর্খ ! ৰাজা ব্রহ্মদত্তঃ নগৰ কাম্পিল্যমিত্যভিধীয়তাম্।

বিদূষকঃ— কিং ৰাজা ব্রহ্মদত্তঃ নগৰং কাম্পিল্যম্?

ৰাজা— এৱমেতত্।

বিদূষকঃ— তেন হি মুহূর্তকং প্রতিপালয়তু ভৱান যাবদোষ্ঠগতং কৰিষ্যামি। ৰাজা ব্রহ্মদত্তঃ নগৰং কাম্পিল্যম্। (ইতি বহুশস্তদেৰ পঠিত্বা)। ইদানীং শৃণোতু ভৱান্। অয়ি! সুপ্তোহত্রভৱান্। অতিশীতলেয়ং বেলা। আত্মনং প্রাৰাৰকং গৃহীত্বাগমিষ্যামি। (নিষ্ক্রান্তঃ)

৫.৩.২ বাসৱদত্তা আৰু চেটীৰ প্রশেৰ পৰা কাঞ্চুকীয়ৰ প্রবেশৰ আগলৈ দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

(ততঃ প্রৱিশতি বাসবদত্তা আবন্তিকাবেষোণ চেটী)

চেটী— এত্বেত্বর্যা। দৃঢ়ং খলু ভর্তৃদাৰিকাশীর্ষবেদনয়া দুঃস্মিতা।

বাসবদত্তা— হা ধিক্ ! কুত্ শয়নীয়ং বচিতং পদ্াৱত্যাঃ?

চেটী— সমুদ্গৃহকে কিল শয্যাস্তীর্ণা।

বাসবদত্া— তেন হ্যগ্তো য়াহি।

(উভৈ পবিক্রামতঃ।)

চেটী— ইদং সমুদ্রগৃহকম্। প্রবিশত্বার্যা। যাবদহমপি শীর্যানুলেপনং ত্বৰয়ামি। (নিষ্ক্রান্তা)

বাসবদত্তা— অহো অকৰ্ণা খল্বীশ্বৰামে। বিৰহ পর্যুৎসুকস্যার্য পুত্রস্য বিশ্রামস্থানভূতেমপি নাম পদ্মাবত্যবস্থা জাতা। যাবৎ প্রবিশামি (প্রবিশ্যাবলোক্য।) অহো! পৰিজনস্য প্রসাদঃ। অবস্থাং পদ্মাবতীং কেৱলং দীপসহায়াং কৃত্বা পৰিত্যজতি। ইয়ং পদ্মাবত্যবসুপ্তা। যাবদুপবিশামি। অথবান্যাসনপৰিগ্রহেনাল্প ইব স্নেহঃ প্রতিভাতি। তদস্যাং শয্যায়ুমুপবিশামি। (উপবিশ্য।) কিং নু খল্বেতয়া সহোপবিশন্ত্যা অদ্য প্রহ্লাদিতসিব মে হৃদয়ম্। দিষ্ট্যাবিচ্ছিন্ন সুখনিঃশ্বাসা। নিবৃত্তৰোগয়া ভবিতব্যম্। অথবৈকদেশসংবিভাগতয়া শয়নীয়স্য সূচয়তি মামালিঙ্গেতি যাবচ্ছয়িষ্যে।

ৰাজা— (স্বপ্নায়তে।) হা বাসবদত্তে।

বাসবদত্তা— (সহসোত্থায়) হম্। আর্যপুত্রঃ ন খলু পদ্মাবতী। কিং নু খলু দৃষ্টাস্মি? মহান্ খল্বার্যযৌগন্ধৰায়ণস্য প্রতিজ্ঞাভাৰো মম দর্শনেন নিষ্ফলঃ সংবৃত্তঃ।

ৰাজা— হা অবন্তিৰাজপুত্রি !

বাসবদত্তা— দিষ্ট্যা স্বপ্নায়তে খল্বার্যপুত্রঃ নাত্র কশ্চিজ্জনঃ। যাবন্মুহূর্তকং স্থিত্বা দৃষ্টিং

হৃদয়ং চ তোষয়ামি।

ৰাজা— হা প্রিয়ে ! হা প্রিয়শিষ্যে ! দেহি যে প্রতিবচনম্।

বাসবদত্তা— আলপামি ভর্তঃ। আলপামি।

ৰাজা— কিং কুপিতাসি?

বাসবদত্তা— ন হি ন হি, দুঃখিতাস্মি।

ৰাজা— যদ্যকুপিতা কিমর্থং নালংকৃতাপি?

বাসবদত্তা— ইতঃ পৰং কিম্?

ৰাজা— কিং বিৰচিকাং স্মৰসি?

বাসবদত্তা— (সৰোষম্।) আ অপেহি। ইহাপি বিৰচিকা।

ৰাজা— তেন হি বিৰচিকার্থং ভবতীং প্রসাদয়াযি। (হস্তৌপ্রসাৰয়তি)

বাসবদত্তা— চিৰং স্থিতাস্মি। কোহপি সাং পশ্যেৎ। তদ গমিষ্যাযি। অথবা শয্যাপ্রলম্বিতমার্যপুত্রস্য— হস্তং শয়নীয় আৰোপ্য গমিৰ্যামি। (তথাকৃত্বা নিষ্ক্রান্তা।)

ৰাজা— (সহসোৎত্থায়।) বাসবদত্তে ! তিষ্ঠ তিষ্ঠ ! হা ধিক।

নিষ্ক্রামন্ সম্ভ্রমেণাহং দ্বাৰপক্ষেণ তাড়িতঃ।
ততো ব্যক্তং ন জানামি ভূতর্থোহয়ং মনোৰথঃ।। ৭।।

(প্রবিশ্য)

বিদূষকঃ— অয়ি ! প্রতিবুদ্ধোহত্রভৰান্।

ৰাজা— বয়স্য ! প্রিয়মাবেদয়ে। ধৰতে খলু বাসবদত্তা।

বিদূষকঃ— অবিধা বাসবদত্তা। কুত্র বাসবদত্তা? চিৰাৎ খলূপৰতা বাসবদত্তা।

ৰাজা— বয়স্য। মা মৈৰম্।

শয্যায়ামবসুপ্তং মাং বোধযিত্বা সখে ! গতা।
দগ্ধেতি ব্রুবতা পূর্বং বঞ্চিতোহস্মি ৰুমন্বতা।। ৮।।

বিদূষকঃ— অবিধা অসম্ভাবনীয়মেতত্। আঃ। উদকস্নানসংকীর্তনেন তত্রভৰতীং চিন্তয়তা সা স্বপ্নে দৃষ্টা ভবেৎ।

ৰাজা— এৰং ময়া স্বপ্নো দৃষ্টঃ।

যদি তাবদয়ং স্বপ্নো ধন্যমপ্রতিবোধনম্।
অথায়ং বিভ্রমো বা স্যাদ্বিভ্রমো হ্যস্তু মে চিৰম্।। ৯।।

বিদূষকঃ— ভো বয়স্য ! এতস্মিন্ নগৰেহবন্তিসুন্দৰী নাম যক্ষিণী প্রতিবসতি। সা ত্বয়া দৃষ্টা ভৰেৎ।

ৰাজা— ন ন,

স্বপ্নস্যান্তে বিবুদ্ধেন নেত্রবিপ্রোষিতাঞ্জনম্।
চাৰিত্রমপি ৰক্ষন্ত্যা দৃষ্টিং দীর্ঘালকং মুখম্।।

অণি চ বয়স্য ! পশ্য পশ্য,

যোহয়ং সন্ত্রস্তয়া দেব্যা তয়া বাহুর্নিপীড়িতঃ।
স্বপ্নেহপ্যুৎপন্নসংস্পর্শো ৰোমহর্ষং ন মুঞ্চতি।। ১০।।

৫.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ পঞ্চম অংকৰ প্ৰৱেশকৰ পিছৰ সমুদ্ৰগৃহৰ পৰা বিদূষক ওলাই যোৱালৈ দৃশ্যাংশৰ অসমীয়া অনুবাদ পঢ়িব পাব আৰু বাসবদত্তা আৰু চেটীৰ প্ৰৱেশৰ পৰা কাঞ্চুকীয়ৰ প্ৰৱেশৰ আগলৈ দৃশ্যাংশৰ অসমীয়া অনুবাদো পঢ়িব পাব।

৫.৪.১ প্ৰৱেশকৰ পিছৰ পৰা সমুদ্ৰগৃহৰ পৰা বিদূষক ওলাই যোৱালৈ

(তাৰ পিছত ৰজাৰ প্ৰৱেশ)

ৰজা — কালক্ৰমত পুনৰ পত্নীৰ ভাৰ মোৰ ওপৰত আহি পৰিল। কিন্তু লাৱাণক (গাঁৱত) অগ্নিৰ দ্বাৰা দগ্ধ হোৱা শৰীৰৰ অৱন্তীৰাজৰ সেই শ্লাঘনীয়া কন্যাক মই তুষাৰৰ দ্বাৰা বিনষ্ট হোৱা কমলিনীৰ দৰে স্মৰণ কৰিছো। (১)

বিদূষক — মহাশয় ! শীঘ্ৰে আহক, শীঘ্ৰে আহক।

ৰজা — কিহৰ বাবে?

বিদূষক — আৰ্যা পদ্মাৱতী **শিৰোবেদনা**ত কাতৰা হৈ আছে।

ৰজা — এনেদৰে কোনে কৈছে?

বিদূষক — পদ্মিনিকাই কৈছে।

ৰজা — হাঁয়, কি কষ্ট।

সৌন্দৰ্যসম্পন্না, গুণৱতী প্ৰিয়াক লাভ কৰি **পূৰ্বৰ দুখ**ত পীড়িত মোৰ শোক আজি কিছু লাঘৱ হৈছিল, (কিন্তু) এবাৰ দুখ অনুভৱ কৰা মই পদ্মাৱতীকো তেনে বুলিয়েই (অৰ্থাৎ বাসবদত্তাৰ দৰে দুখৰ কাৰণ বুলি) ধাৰণা কৰিছো। (২)

থিক আছে, পদ্মাৱতী এতিয়া ক'ত আছে?

বিদূষক — **সমুদ্ৰ গৃহ**ও তেওঁৰ শয্যা সাজু কৰা হৈছে।

ৰজা — তেন্তে, মোক সেই পথ প্ৰদৰ্শন কৰা।

বিদূষক — আহক, আহক মহাৰাজ।

(দুয়োয়ে আগবাঢ়ে)

বিদূষক — এইটো সমুদ্ৰগৃহ। প্ৰৱেশ কৰক।

ৰজা — তুমি প্ৰথমতে প্ৰৱেশ কৰা।

বিদূষক — থিক আছে। সেয়ে হওঁক। (প্ৰৱেশ কৰি) হে প্ৰভু ! ৰ'ব, ৰ'ব মহাৰাজ।

ৰজা — কিহৰ বাবে?

বিদূষক — চাকিৰ পোহৰত সাপ এটা মাটিত লুটি বাগৰ খাই থকা দেখা গৈছে।

শিৰোবেদনা - মূৰৰ বিষ

পূৰ্বৰ দুখ — পত্নী বাসবদত্তাৰ মৃত্যু হোৱা বুলি জানি মনত পোৱা সন্তাপ।

সমুদ্ৰ গৃহ— স্বপ্নবাসবদত্তম্ সাধাৰণ সমালোচনা শীৰ্ষক অধ্যায়ত দ্ৰষ্টব্য।

ৰজা — (প্ৰৱেশ কৰি আৰু নিৰীক্ষণ পূৰ্বক হাঁহি হাঁহি)

আঃ ! মূৰ্খৰ সৰ্পজ্ঞান !

মূৰ্খ ! মুখ্য তোৰণৰ সৰল দীৰ্ঘ মালাধাৰি ভূতলত বিচ্যুত হৈ থকা বাবে তুমি তাক সৰ্পৰূপে ধাৰণা কৰিছা। মৃদু বতাহৰ দ্বাৰা লৰচৰ হোৱা বাবে ৰাতি ইয়াৰ সৰ্পৰ দৰে কিছু চঞ্চলতা দেখা গৈছে। (৩)

বিদূষক — (নিৰূপণ কৰি) আপুনি থিকেই কৈছে। এইটো সাপ নহয়। (প্ৰৱেশ কৰি আৰু চাই) দেৱী পদ্মাৱতী ইয়ালৈ আহি নিশ্চয় পুনৰ গুছি গৈছে।

ৰজা — তেওঁ ইয়ালৈ নিশ্চয় অহাই নাছিল।

বিদূষক — আপুনি কেনেদৰে জানিলে ?

ৰজা — ইয়াত আকৌ জানিবৰ কি আছে ? চোৱা।

শয্যা সমানকৈ পাৰি থোৱা আছে, ই অবনত হোৱা নাই, ইয়াৰ আৱৰণীখনো কোঁচ খোৱা নাই, তেওঁৰ শিৰোবেদনাৰ ঔষধৰ বাবে পৰিষ্কাৰ গাৰুটোও মলিন হৈ পৰা নাই। ৰোগৰ বাবে চকুৰ আনন্দ সম্পাদনকাৰী কোনো শোভাৰ ব্যৱস্থা কৰা হোৱা নাই। আকৌ ৰোগগ্ৰস্ততাৰ বাবে শয্যালৈ যোৱা কোনো লোকে সোনকালে নিজে শয্যা পৰিত্যাগ নকৰে।

বিদূষক — তেনেহ'লে আপুনি কিছু সময় এই শয্যাত বহি লৈ তেওঁৰ বাবে অপেক্ষা কৰক।

ৰজা — খুব ভাল কথা। (বহি লৈ) **বয়স্য !** মোৰ টোপনি ধৰিছে। এটা গল্প কোৱা।

বিদূষক — মই কৈছো। আপুনি হুঁ বুলি কৈ শুনি যাব।

ৰজা — ভাল বাৰু।

বিদূষক — উজ্জয়িনী নামেৰে এখন নগৰী আছে। সেই স্থানৰ **উদকস্নান**সমূহ অতি আনন্দদায়ক।

ৰজা — উজ্জয়িনীৰ কথা কিয় ?

বিদূষক — যদি এইটো আপুনি ভাল নাপায় তেন্তে আন এটা গল্প কওঁ।

ৰজা — বয়স্য ! এনেকুৱা নহয় যে মই এইটো ভাল নাপাওঁ। কিন্তু মই অৱন্তী ৰাজপুত্ৰীক স্মৰণ কৰিছো যি গৰাকীয়ে আমাৰ প্ৰস্থানৰ সময়ত আত্মীয়স্বজনক স্মৰণ কৰি নয়ন কোণ লগ্ন চকুৰ পৰা নিৰ্গত অশ্ৰুজল স্নেহবশতঃ মোৰ বক্ষত পাতিত কৰিছিল। (৫)

আকৌ,

বীণা শিক্ষাৰ সময়ত বহুবাৰ

মোৰ ফালে একান্তভাৱে চাই থকা বাবে তেওঁৰ হাতৰ পৰা বীণা বজোৱা কোণ পৰি যোৱা বাবে শূন্য হাতেৰে বজাইছিল। (৬)

বিদূষক — থিক আছে, থাকক। অন্য এটা কওঁ। ব্ৰহ্মদত্ত নামেৰে এখন নগৰ আছে। তাৰ ৰজাৰ নাম কাম্পিল্ল।



বয়স্য — বন্ধু।



উদকস্নান — স্নানৰযোগ্য জলপ্ৰদেশ।

ৰজা — কি, কি?

বিদূষক — (পুনৰবাৰ একেদৰেই উচ্চাৰণ কৰিলে)।

ৰজা — মূৰ্খ। ৰজা ব্রহ্মদত্ত, নগৰ কাম্পিল্ল্য এনেদৰে কোৱা।

বিদূষক — কি? ৰজা ব্রহ্মদত্ত, নগৰ কাম্পিল্য?

ৰজা — হয়।

বিদূষক — তেনে হ'লে আপুনি কিছু সময় অপেক্ষা কৰক। মই এইটো মুখস্থ কৰি লওঁ। ্যৰজা ব্রহ্মদত্ত, নগৰ কাম্পিল্য। (বহুবাৰ সেইধৰণে আওৰাই) এইবাৰ আপুনি শুনক। অঃ, আপুনি দেখোন টোপনি গ'ল।

এই সময়খিনি অতি ঠাণ্ডা। মই মোৰ গাৰ বস্ত্রখন লৈ আহো। (ওলাই যায়)



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ শিৰোবেদনাত কাতৰ পদ্মাৱতীৰ শয্যা ক'ত সাজু কৰা হৈছিল?

.....

.....

প্রশ্ন নং ২ঃ বাসবদত্তাক উদয়নে কি শিক্ষা প্রদান কৰিছিল?

.....

.....

প্রশ্ন নং ৩ঃ ৰজাই কাৰ সৈতে সমুদ্রগৃহত প্রবেশ কৰিছিল?

.....

.....

প্রশ্ন নং ৪ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক।

(ক) সমুদ্রগৃহত প্ররেশ কৰি ৰজাই পদ্মাৱতীক শয্যাত শয়ন কৰি থকা দেখিবলৈ পাইছিল।

.....



জানি থোৱা ভাল

জাতকৰ কাহিনীসমূহত প্রায়েই বাৰণসীৰ ৰজা ব্রহ্মদত্তৰ নাম উল্লেখ পোৱা যায়। কিন্তু এইগৰাকী ৰজাই স্বপ্নবাসবদত্তম্ নাটকৰ পঞ্চম অংকত যিজন ব্রহ্মদত্তৰ নাম পোৱা গৈছে তেওঁক নির্দেশ কৰা নাই। যিহেতু এই ৰজাক কাম্পিল্ল্যৰ লগত সম্পর্কিত ৰূপত দেখুওৱা হৈছে সেয়ে তেওঁক পাঞ্চালবংশীয় বুলি পণ্ডিতসকলে ধাৰণা কৰে। কাম্পিল্ল্য আছিল পাঞ্চাল দেশৰ ৰাজধানী।

৫.৪.২ বাসবদত্তা আৰু চেটীৰ প্ৰবেশৰ পৰা কাঞ্চুকীয়ৰ প্ৰবেশৰ আগলৈ

(তাৰ পিছত আৰন্তিকা বেশধাৰিনী বাসবদত্তা আৰু চেটীৰ প্ৰৱেশ)

চেটী — আহক, আহক আৰ্যা। **ভর্ত্তৃদাৰিকা** শিৰোবেদনাত অতিশয় কাতৰা।

বাসবদত্তা — হায় ! পদ্মাৱতীৰ শয্যা ক'ত সজ্জিত হৈছে?

চেটী — তেওঁৰ শয্যা সমুদ্রগৃহত সজ্জিত হৈছে।

বাসবদত্তা — তেনেহ'লে পথৰ নির্দেশ কৰা।

(উভয়ে আগবাঢ়ে)

চেটী — এয়া সমুদ্র গৃহ। আৰ্যা প্রবেশ কৰক। মই ইতিমধ্যে মস্তকত তৎক্ষণাৎ সনা প্রলেপ লৈ আহোঁ।

(ওলাই যায়)

বাসবদত্তা — হাঁয় ! দেৱতাসকল সঁচাকৈয়ে মোৰ বাবে নির্দয়। বিৰহ বিধূৰ আৰ্যপুত্রৰ বিশ্রামস্থল এই পদ্মাৱতীও অসুস্থ হৈ পৰিছে। যি হওঁক। মই প্রৱেশ কৰো। (প্রৱেশ কৰি চাই) সেৱকসকলৰ কি অসাৱধানতা ! অসুস্থা পদ্মাৱতীৰ সহায় স্বৰূপে মাত্র এটি চাকি ৰাখি সকলোৱে প্রস্থান কৰিছে। এয়া পদ্মাৱতী নিদ্রামগ্না। ইয়াতেই বহোঁ। অন্য আসনত বহিলে (পদ্মাৱতীৰ প্রতি মোৰ) স্নেহ কমকৈ প্রকাশ পাব, গতিকে এই শয্যাতে মই বহোঁ। (বহিলৈ) কিন্তু কিয় জানো, তেওঁৰ কাষত বহাৰ লগে লগে মোৰ অন্তৰখন আনন্দিত হৈ পৰিছে। সৌভাগ্যক্রমে তেওঁৰ নিঃশ্বাস সহজ আৰু আৰামপূর্ণ হৈ আছে। নিশ্চিতভাৱে তেওঁৰ ৰোগ আঁতৰি গৈছে। অথবা শয্যাৰ এফালে শয়ন কৰি 'মোক আলিঙ্গন কৰা'— এই কথাকে নিশ্চয় সূচাইছে। থিক আছে ! শয়ন কৰো। (শয়নৰ অভিনয় কৰে)

ৰজা — (স্বপ্ন দেখি) হা বাসবদত্তা।

বাসবদত্তা— (তৎক্ষণাৎ উঠি)— এয়া কি, আৰ্যপুত্র ! পদ্মাৱতী নহয়। মোক (এওঁ) দেখিলে নেকি? সেয়ে হ'লে আৰ্য যৌগন্ধৰায়ণৰ মহান প্রতিজ্ঞাভাৰ মোক দর্শন কৰাৰ লগে লগে নিষ্ফল হৈ গ'ল।

ৰজা — হা ! অৱন্তি ৰাজপুত্রী !

বাসবদত্তা — ভাগ্যক্রমে আৰ্যপুত্রই স্বপ্ন দেখিছে। ইয়াত আন কোনো নাই। এখন্তেক থাকি চকু আৰু হৃদয়ক সন্তুষ্টি প্রদান কৰো।

ৰজা— হা প্রিয়ে। হা প্রিয়শিষ্যে ! মোৰ কথাৰ উত্তৰ দিয়া।

বাসবদত্তা — কৈছো, প্রভু ! কৈছো।

ৰজা — তুমি খং কৰিছা নেকি?

বাসবদত্তা — নহয়, নহয় ! দুঃখিতাহে মই।

ৰজা — যদি খং কৰা নাই তেন্তে অলঙ্কাৰ কিয় পৰিধান কৰা নাই?

বাসবদত্তা — ইয়াতকৈ শ্রেয় (অভীষ্ট) আৰু কি (হ'ব পাৰে)।

ভর্ত্তৃদাৰিকা— ৰাজকুমাৰীক কৰা সম্বোধন।



বিৰচিকা — অন্তেষপুৰৰ সহায়কাৰিনী।

ৰজা — তুমি কি বিৰচিকাক স্মৰণ কৰিছা !

বাসবদত্তা — (ক্রোধ পূর্বক) আঃ ! ইয়াতো বিৰচিকা !

ৰজা — তেনেহ'লে **বিৰচিকা**ৰ বাবে তোমাক প্রসন্ন কৰোচোন (হাত মেলি দিলে)

বাসবদত্তা — মই বহু সময় থাকিলো। কোনোবাই মোক দেখিব পাৰে। সেয়ে মই যাওঁ। আর্যপুত্রৰ শয্যাৰ পৰা ওলমি থকা হাতখন শয্যাত ৰাখি থৈ যাওঁ। (তেনেদৰে কৰি ওলাই যায়)

ৰজা — (তৎক্ষণাৎ উঠি) বাসবদত্তা ৰবা, ৰবা। হায় !—

তৎক্ষণাৎ ওলাই যাওঁতে মই দ্বাৰকাষ্ঠত আহত হ'লো। সেয়ে মোৰ মনোবাঞ্ছা সত্য হয় নে নহয় স্পষ্টকৈ বুজিব নোৱাৰিলো। (৭)

(প্রবেশ কৰি)

বিদূষক — এয়া মহাৰাজে সাৰ পাই উঠিছে।

ৰজা — বয়স্য ! তোমাক এটি প্রিয় সংবাদ দিওঁ, বাসবদত্তা জীয়াই আছে।

বিদূষক— হা বাসবদত্তা। ক'ত বাসবদত্তা ! তেওঁৰ বহুকাল পূর্বেই মৃত্যু হৈছে।

ৰজা — সেইটো নহয়।

শয্যাত শুই থকা মোক জগাই তেওঁ গুছি গৈছে। বাসবদত্তা দগ্ধা হৈছে— এই কথা কোৱা ৰুমন্বানৰ দ্বাৰা মই পূর্বতেই প্রতাৰিত হৈছো। (৮)

বিদূষক — অঃ। এয়া সম্ভৰ নহয়। আঃ। মোৰ পৰা (উজ্জবিনীৰ) উদকস্নানৰ কথা শুনি আপুনি হয়তো সেয়ে মহাৰাণীক চিন্তা কৰা বাবে তেওঁক স্বপ্নত দেখা পাইছে।

ৰজা — তেন্তে কি ! স্বপ্নই দেখিছিলো !

যদি এয়া স্বপ্ন তেন্তে জাগৰিত নোহোৱাটোৱে ভাল আৰু এয়া যদি ভ্রম তেন্তে সেই ভ্রম চিৰকালৰ বাবেই যেন থাকে। (৯)

বিদূষক — বয়স্য ! এই নগৰত অৱন্তি সুন্দৰী নামেৰে এক যক্ষিণী বাস কৰে। আপুনি হয়তো সেইজনীক দেখিছিল।

ৰজা — নহয়, নহয়।

স্বপ্নৰ শেষত যেতিয়া মই সাৰ পাই উঠিছিলো, তেতিয়া চৰিত্রৰক্ষণত তৎপৰ তেওঁৰ কাজলবিহীন নেত্রৰ দ্বাৰা ভূষিত আৰু দীর্ঘ কেশযুক্ত মুখখন দেখিবলৈ পাইছিলো। (১০)

পুনৰ, বয়স্য ! চোৱা, চোৱা—

সন্ত্রস্তা দেৱীয়ে মোৰ যে বাহু নিপীড়ন কৰিছিল, সেয়া স্বপ্নত স্পর্শ লাভ কৰিলেও (এতিয়াও) ৰোমাঞ্চ পৰিত্যাগ কৰা নাই। (১১)



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ঃ বাসৱদত্তাই সমুদ্রগৃহত কিয় প্রৱেশ কৰিছিল?

.....

.....

প্রশ্ন নং ৬ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক?

(ক) পদ্মাৱতীৰ পৰিৱর্তে ৰজাৰ উপস্থিতিৰ কথা গম পোৱাৰ লগে লগে বাসবদত্তাই সমুদ্রগৃহৰ পৰা ওলাই আহিছিল।

(খ) বাসৱদত্তাক ৰজা উদয়নে দেখা পোৱা বুলি কোৱা কথাটো বিদূষক পতিয়ন গৈছিল।

৫.৫ স্বপ্ন দৃশ্যৰ বর্ণনা

স্বপ্নবাসবদত্তম্ নাটকৰ পঞ্চম অংকত এটি স্বপ্ন দৃশ্যৰ সুন্দৰ বর্ণনা দেখা যায়। এই দৃশ্যটিয়ে সমগ্র নাটকখনতেই বিশেষ তাৎপর্য বহন কৰিছে। কাৰণ এই স্বপ্নৰ ঘটনাটোক লৈয়েই নাটকখনৰ নামকৰণ কৰা হৈছে।

পঞ্চম অংকত ৰজা উদয়নে বিদূষকৰ পৰা বার্তা লাভ কৰে যে পদ্মাৱতী শিৰোবেদনাৰে আক্রান্ত আৰু সমুদ্রগৃহত তেওঁৰ শয্যা সাজু কৰি ৰখা হৈছে। ৰজাই তেতিয়া বিদূষকৰে সৈতে সমুদ্রগৃহলৈ গমন কৰিলে।

সমুদ্রগৃহত প্রৱেশ কৰি তেওঁলোকে দেখিলে যে পদ্মাৱতী সেই গৃহলৈ অহাই নাই। ৰজাই তেতিয়া বিদূষকৰ কথামতে সেই শয্যাত উপবেশন কৰি পদ্মাৱতীলৈ অপেক্ষা কৰিবলৈ ঠিক কৰিলে। সেই শয্যাতেই তেওঁ নিদ্রামগ্ন হৈ পৰিল। বিদূষকেও শীত অনুভব কৰি প্রাবাৰক আনিবলৈ ওলাই গ'ল।

ইপিনে পদ্মাৱতী অসুস্থা বুলি শুনি বাসবদত্তাইও সেই গৃহলৈ তেওঁৰ বার্তা ল'বলৈ আহিল। সেই সময়ত কেৱল মাত্র এটা চাকি জ্বলি থকা বাবে অতি ক্ষীণ পোহৰহে বিৰাজ কৰিছিল। গতিকে বাসবদত্তাই শুই থকা ৰজাক চিনিব নোৱাৰি পদ্মাৱতী শুই থকা বুলিয়েই ধাৰণা কৰিছিল। তেওঁ ও স্নেহবশতঃ পদ্মাৱতী বুলি ৰজাৰ কাষত শয়ন কৰিলে। ৰজাই সেই সময়ত স্বপ্ন দেখি 'হা বাসবদত্তা' বুলি কোৱাত বাসবদত্তাই সেয়া ৰজা বুলি গম পাই তৎক্ষণাৎ উঠিল। কিন্তু তেওঁ বুজি পালে যে ৰজাই স্বপ্নতহে তেওঁৰ নাম উচ্চাৰণ কৰিছে। সেয়ে মনৰ সন্তুষ্টিৰ বাবে কিছু সময় তেওঁ তাত অৱস্থান কৰিলে আৰু স্বপ্নাবিষ্ট ৰজাৰ লগত কথোপকথন কৰিলে। কিছু সময় পিছত বাসবদত্তাই শয্যাৰ পৰা ওলমি থকা ৰজাৰ হাতখন শয্যাত ৰাখি সেই স্থান ত্যাগ কৰিলে। সেই মুহূর্ততে ৰজাই সাৰ পাই বাসবদত্তাক মাতি ওভতাই আনিবলৈ তৎক্ষণাৎ উঠি গ'ল। কিন্তু দ্বাৰকাষ্ঠত আহত হোৱাৰ বাবে তেওঁ সেয়া প্রকৃততে বাসবদত্তা হয় নে নহয়

সঠিকভাৱে নির্ণয় কৰিব নোৱাৰিলে।

এনেদৰে পঞ্চম অংকত মহাকবি ভাসে অতি সুন্দৰ ৰূপত স্বপ্নৰ দৃশ্যটো উপস্থাপন কৰিছে।

৫.৬ নাটকখনত পঞ্চম অংকৰ গুৰুত্ব

সমগ্ৰ 'স্বপ্নবাসবদত্তম্' নাটকখনৰ ভিতৰত পঞ্চম অংকটিয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এই অংকত এটি স্বপ্ন দৃশ্যৰ অৱতাৰণা কৰা হৈছে আৰু এই দৃশ্যটোক ভিত্তি কৰিয়েই নাটকখনৰ নামকৰণ কৰা হৈছে। তদুপৰি এই স্বপ্ন দৃশ্যটিতেই নায়ক-নায়িকাক একেলগে দেখুওৱা হৈছে। কিন্তু কাহিনীৰ মূল উদ্দেশ্যত ব্যাঘাত নহ'বলৈ তেওঁলোকক পুনৰ পৃথক কৰি দিয়া হৈছে। এই সমগ্ৰ দৃশ্য নাটকখনত অতিশয় আকৰ্ষণীয় ৰূপত উপস্থাপন কৰা হৈছে আৰু দৰ্শকসকলক পৰৱৰ্তী ঘটনাৰাজি জনাৰ বাবে অধিক উৎকণ্ঠিত কৰি তোলা হৈছে. নায়িকা বাসবদত্তাই স্বামী উদয়নক অতি কাষৰত পাইও তেওঁৰ মঙ্গলৰ বাবে পুনৰ আঁতৰি যাব লগা হোৱা কথাটোৱেও এই অংকত বিশেষ তাৎপর্য বহন কৰিছে।



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

স্বপ্নবাসবদত্তম্ নাটকখনৰ পঞ্চম অংকটিৰ কেইটিমান গুৰুত্বপূর্ণ দৃশ্যৰ মূল সংস্কৃত পাঠ সম্পর্কে জ্ঞাত হ'ল। ইয়াৰ পিছত উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অর্থসমূহো জানিব পাৰিলে। নাটকখনৰ নামকৰণত যে এই অংকটিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে সেই কথাও অৱগত হ'ল। ইয়াৰ উপৰিও স্বপ্ন দৃশ্যটিৰ এক সম্যক ধাৰণাও লাভ কৰিলে।



৫.৮ অধিক জানিবলৈ

১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্ৰাজ ঃ ভি. ৰামস্বামী সন্তুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অৱ ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিচাৰছ প্ৰাইভেট লিমিটেড।

৩) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল

পাব্‌লিচাৰছ এণ্ড বুকচেলাৰছ।

৪) শর্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সমুদ্রগৃহত।

২ নং প্রশ্নৰ উত্তৰঃ বীণাবাদনৰ শিক্ষা

৩ নং প্রশ্নৰ উত্তৰঃ বিদূষকৰ সৈতে।

৪ নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰঃ শিৱোবেদনাত কাতৰা পদ্মাৱতীৰ অসুস্থতাৰ বার্তা ল'বলৈ।

৬ নং প্রশ্নৰ উত্তৰঃ (ক) অশুদ্ধ, (খ) অশুদ্ধ।



৫.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ স্বপ্নবাসবদত্তম্ নাটকখনত পঞ্চম অংকৰ গুৰুত্ব সম্পর্কে এটি চমুটোকা প্রস্তুত কৰক।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পঞ্চম অংকৰ স্বপ্ন দৃশ্যটি চমুকৈ বর্ণনা কৰা।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পঞ্চম অংকত ৰজা উদয়ন সমুদ্রগৃহত নিদ্রামগ্ন হোৱাৰ আগমুহূর্তলৈকে বিদূষকৰ লগত কৰা কথোপকথনটি বর্ণনা কৰক।

প্রশ্ন ২ঃ স্বপ্নাবিষ্ট ৰজাই বাসবদত্তাৰ লগত পতা কথা-বতৰাখিনি নিজৰ ভাষাত উপস্থাপন কৰক।

*** ***** ***